

# RETRACING GOALPARA

Editors

Dr. Mainul Hoque Chaudhury
Himani Devi



Assam College Teachers' Association
Goalpara Zone



□ গোৱালপৰীয়া লোকনাট্যানুষ্ঠান ঃ কুশানগান আৰু ভাৰীগান; এটি চমু পৰ্যালোচনা
ৰফিকুল ইছলাম / 191
□ বৰ্তমান গোৱালপাৰা জিলাৰ পূব অঞ্চলৰ জন-গাঁথনি আৰু ভাষা ঃ এটি চমু বিশ্লেষণ
ড° মইনুল হক চৌধুৰী / 197
□ গোৱালপাৰা জিলা আৰু স্থাপত্য কলা ঃ এটি চমু অধ্যয়ন
দিপ্তী দাস / 206
□ গোৱালপৰীয়া লোকগীতত সামাজিক চিত্ৰৰ প্ৰতিফলন
শিখা শৰ্মা / 216
□ পশ্চিম গোৱালপাৰাৰ চৰ-চাপৰিত প্ৰচলিত ফকৰা-যোজনাত নাৰী
মোজাফ্ফৰ হুছেইন / 223
□ ৰাভা সমাজত পালন কৰা স্ত্ৰী লোকাচাৰ আৰু সমাজ সংস্কাৰত ইয়াৰ ভূমিকা
দীপিকা ৰাভা / 230
□ হানাঘোঁৰা কৃষ্টি
ড° প্ৰণীতা মহন্ত / 238
□ পৰ্যটন মানচিত্ৰত গোৱালপাৰা জিলাৰ উৰপদ বিল ঃ সম্ভাৱনা আৰু সমস্যা
জয়ন্ত কুমাৰ শালৈ / 249
□ বহুৰঙী গীতত নাৰী জীৱনৰ প্ৰতিছবি
বনশ্ৰী ৰাভা / 253
□ গোৱালপাৰা জিলাৰ থলুৱা গীত-মাত ঃ এটি পৰিচয়
আবুশামা আহমেদ / 259
□ গোৱালপাৰা জিলাৰ দোমনাপাৰা (পালপাৰা)ৰ মৃৎশিল্পীসকলৰ ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ এক চমু আলোচনা
ড° স্বাজেদা খাতুন / 267
□ দক্ষিণ গোৱালপাৰাৰ লোক-সাহিত্যত সাঁথৰ আৰু যোজনা
ড° চৈয়দ আব্দুল আজিম /277
□ স্মাৰকপত্ৰ, কৃষক আৰু অসমৰ সামাজিক ইতিহাস, গোৱালপাৰা জিলাৰ বিশেষ উল্লিখনেৰে'
ড° ধনমণি কলিতা /285

# হানাঘোঁৰা কৃষ্টি

ড° প্ৰণীত্ৰ মহন্ত
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, বিকালী মহাবিদ্যালয়, ধুপধৰা*

**সংক্ষিপ্ত সাৰ ঃ**

**ভাৰতৰ উত্তৰ-পূবত অৱস্থিত অসম বিভিন্ন জাতি-জনজাতিৰ বৈচিত্ৰ্যময় সংস্কৃতিৰ মিলনভূমি। অসমৰ পাহাৰে ভৈয়ামে বসবাস কৰি থকা জনজাতীয় সমাজতো প্ৰচলন হৈ আছে জনজাতীয় স্বকীয় অনেক কৃষ্টি-সংস্কৃতি তথা পূজা-পাৰ্বণ। ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা লোকবিশ্বাসৰ ওপৰত ভিত্তি কৰিয়ে অনেক কৃষ্টি তথা পূজা-পাৰ্বণসমূহৰ প্ৰচলন হৈ আছে।**

অসমৰ সমাজ-সংস্কৃতিৰ বৰঘৰ শুৱনি কৰা জনজাতিসমূহৰ ভিতৰত ৰাভা জনজাতি অন্যতম। ৰাভা জনজাতিৰ বিভিন্ন ফৈদৰ লোক অসমত বসতি কৰি আছে। ৰাভা জনজাতি স্বকীয় ভাষা-সংস্কৃতি, ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, লোকবিশ্বাস, লোককৃষ্টি, লোককলা আদিৰে অতিবাহিত কৰা জীৱন পৰিক্ৰমা অতি বৈচিত্ৰময়।

ৰাভাসকলৰ বিভিন্ন ফৈদ (ৰংদানি, মায়তাৰি, দাহুৰি, হানা, পাতি, টোটলা, মদাহী, কোচা)ৰ ভিতৰত এটা অন্যতম ফৈদ হৈছে পাতিৰাভা। নিজস্ব ৰাভা ভাষাৰ পৰা



আঁতৰি অসমীয়া ৰাভা মিশ্ৰিত ভাষাৰে মনৰ ভাব ব্যক্ত কৰা পাতিৰাভা সমাজত ধৰ্মীয় কৃষ্টিৰ সৈতে জড়িত অনেক লোকবিশ্বাস আৰু লোকাচাৰৰ প্ৰচলন আছে। সাধাৰণতে এনে ধৰ্মীয় কৃষ্টিসমূহ বিভিন্ন উৎসৱ অনুষ্ঠানৰ সৈতে জড়িত। দক্ষিণ কামৰূপত বাস কৰি থকা পাতিৰাভা সমাজত হানাঘোঁৰা নামেৰে এটি ধৰ্মীয় কৃষ্টিৰ প্ৰচলন আছে। কৃষিজীৱী শিৱভক্ত পাতিৰাভা সমাজৰ লোকসকলে অপায়-অমঙ্গল দূৰ হোৱাৰ বিশ্বাসেৰে লাঙাপূজা কৰি গাঁৱে গাঁৱে হানাঘোঁৰা নচুৱাই ফুৰে। আমাৰ এই গৱেষণা পত্ৰখনত পাতিৰাভা সমাজত দূৰ অতীতৰ পৰাই প্ৰচলন হৈ অহা হানাঘোঁৰা কৃষ্টিৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। আলোচনা পত্ৰখন প্ৰস্তুত কৰোঁতে বিভিন্ন গ্ৰন্থ, স্মৃতিগ্ৰন্থ আৰু সংবাদদাতাৰ পৰা লোৱা সমলৰ সহায় লোৱা হ'ব। প্ৰস্তাৱিত বিষয়টি বৰ্ণনামূলক পদ্ধতিৰে আলোচনা কৰা হ'ব।

**সূচক শব্দ ঃ** ৰাভা জনজাতি, লোকবিশ্বাস, হানাঘোঁৰা কৃষ্টি, লাঙাপূজা।

**প্ৰস্তাৱনা ঃ**

**ভাৰতৰ উত্তৰ-পূবত অৱস্থিত অসম বিভিন্ন জাতি-জনজাতিৰ বৈচিত্ৰ্যময় সংস্কৃতিৰ মিলনভূমি। অসমৰ পাহাৰে ভৈয়ামে বসবাস কৰি থকা জনজাতীয় সমাজতো প্ৰচলন হৈ আছে জনজাতীয় স্বকীয় অনেক কৃষ্টি-সংস্কৃতি তথা পূজা-পাৰ্বণ। ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা লোকবিশ্বাসৰ ওপৰত ভিত্তি কৰিয়ে অনেক কৃষ্টি তথা পূজা-পাৰ্বণসমূহৰ প্ৰচলন হৈ আছে।**

অসম তথা উত্তৰ-পূব ভাৰতৰ মংগোলীয় নৃগোষ্ঠীৰ অন্তৰ্ভুক্ত এটি অন্যতম জনগোষ্ঠী হৈছে ৰাভা জনগোষ্ঠী। ৰাভাসকল অসমৰ আদিম অধিবাসী, খিলঞ্জীয়া জনজাতি। অসমৰ সমাজ-সংস্কৃতিৰ বৰঘৰ শুৱনি কৰা জনজাতিসমূহৰ ভিতৰত ৰাভা জনজাতি অন্যতম। ৰাভা জনজাতিৰ বিভিন্ন ফৈদৰ লোক অসমত বসতি কৰি আছে। ৰাভা জনজাতি স্বকীয় ভাষা-সংস্কৃতি, ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, লোকবিশ্বাস, লোককৃষ্টি, লোককলা আদিৰে অতিবাহিত কৰা জীৱন পৰিক্ৰমা অতি বৈচিত্ৰ্যময়।

"E.T. Delton-এ 'Descriptive Ethonology of Bengal' নামৰ গ্ৰন্থখনত উল্লেখ কৰা মতে— ৰাভা জনগোষ্ঠীৰ লোকসকল নৃ-গোষ্ঠীৰ ফালৰ পৰা মংগোলীয় গোষ্ঠীৰ লোক আৰু ভাষাতাত্বিক দৃষ্টিভংগীৰে মূলতঃ চীন-তিব্বতীয় ভাষা-গোষ্ঠীৰ তিব্বতবৰ্মী ঠালৰ লোক (E.T. Delton : 1872, p. 87)। ৰাভা ভাষা সাহিত্যৰ কাণ্ডাৰী ৰাজেন ৰাভাই ৰাভা জনগোষ্ঠীৰ পৰিচয় 'ৰাভা জনজাতি' নামৰ গ্ৰন্থখনত এনেদৰে দিছে— "ভাৰতৰ সংবিধানত ৰাভা এটা জনজাতি হিচাপে স্বীকৃত। ৰাভা

জাতিৰ মানুহ অসম, মেঘালয় আৰু পশ্চিমবংগৰ বিভিন্ন ভৌগোলিক পৰিৱেশত অধ্যুষিত হৈ আছে। ১৯০৩ চনত প্ৰকাশিত Linguistics Survey of India - Vol. III , Pt. II- ত [Grierson-ৰ) সন্নিবিষ্ট মানচিত্ৰখনতো বৰ্তমান গাৰোপাহাৰ জিলাৰ 'ফুলবাৰী'ৰ পৰা দক্ষিণ কামৰূপৰ 'ৰাণী' নামক ঠাইলৈকে গাৰোপাহাৰ আৰু খাচীয়া পাহাৰ জিলাৰ উত্তৰ সীমান্তৱৰ্তী কিছু অঞ্চলক সামৰি এই সুবিস্তৃত অঞ্চল ৰাভা মানুহৰ বাসভূমি হিচাপে সেউজীয়া ৰঙেৰে চিহ্নিত হৈ আছে" (ৰাভা, ৰাজেন ঃ ২০০৮, পৃ. ৰৰ)। আকৌ উপেন ৰাভা হাকাচামে 'ৰাভা সমাজ আৰু সংস্কৃতি' নামৰ গ্ৰন্থখনত ৰাভাসকলৰ পৰিচয় এনেদৰে দিছে—"ৰাভা ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত অন্যতম জনজাতি। ইণ্ডো-মংগোলয়ড নৃগোষ্ঠীৰ তিব্বত-বৰ্মীয় ভাষা-ভাষী ৰাভাসকল নামনি অসমৰ জিলা কেউখনত আৰু মেঘালয়ৰ পূব আৰু পশ্চিম গাৰো পাহাৰ জিলাত কেন্দ্ৰীভূত হৈ আছে যদিও অসমৰ পাহাৰী জিলা দুখনত, অবিভক্ত শিৱসাগৰ, লখিমপুৰ, দৰং আৰু পশ্চিমবংগৰ কোচবিহাৰ আৰু জলপাইগুৰি জিলাতো ছেগা-চোৰোকাকৈ বসবাস কৰি আছে" (ৰাভা, হাকাচম উপেন ঃ ২০১০, পৃ.-৭)নৃতাত্ত্বিক ভুবন মোহন দাসৰ মতে— "নিজস্ব ঐতিহ্য, কৃষ্টি, বৈশিষ্ট্য, বিশ্বাস, আখ্যান-উপাখ্যানেৰে পৰিপুষ্ট ৰাভাবোৰ এটা পৃথক জনজাতি" (দাস, ভুবন মোহন ঃ ২০০৮, পৃ. ১৩১)। ৰাভাসকলৰ বিভিন্ন ফৈদ (ৰংদানি, মায়তাৰি, দাহুৰি, হানা, পাতি, টোটলা, মদাহী, কোচা)ৰ ভিতৰত এটা অন্যতম ফৈদ হৈছে পাতিৰাভা। নিজস্ব ৰাভা ভাষাৰ পৰা আঁতৰি অসমীয়া ৰাভা মিশ্ৰিত ভাষাৰে মনৰ ভাব ব্যক্ত কৰা পাতিৰাভা সমাজত ধৰ্মীয় কৃষ্টিৰ সৈতে জড়িত অনেক লোকবিশ্বাস আৰু লোকাচাৰৰ প্ৰচলন আছে। সাধাৰণতে এনে ধৰ্মীয় কৃষ্টিসমূহ বিভিন্ন উৎসৱ অনুষ্ঠানৰ সৈতে জড়িত। দক্ষিণ কামৰূপত বাস কৰি থকা পাতিৰাভা সমাজত হানাঘোঁৰা নামেৰে এটি ধৰ্মীয় কৃষ্টিৰ প্ৰচলন আছে। কৃষিজীৱী শিৱভক্ত পাতিৰাভা সমাজৰ লোকসকলে বিভিন্ন অপায়-অমঙ্গল দূৰ হোৱাৰ বিশ্বাসেৰে লাঙাপূজা কৰি গাঁৱে গাঁৱে হানাঘোঁৰা নচুৱাই ফুৰে।

হানাঘোঁৰা কৃষ্টি পাতিৰাভাসকলৰ মাজত অতীতৰ পৰাই প্ৰচলিত হৈ আছে বুলি জনা যায়। এই কৃষ্টিটো আচলতে এটা ধৰ্মীয় কৃষ্টি। এই কৃষ্টিৰ ধাৰক আৰু বাহকসকলৰ হানাঘোঁৰালৈ শ্ৰদ্ধা-ভক্তি আৰু বিশ্বাস অসীম। তেওঁলোকে পৰম্পৰাগত ৰীতি-নীতিৰ মাজেৰে অতি শুদ্ধ আৰু পৱিত্ৰ মনেৰে লাঙাপূজা কৰি হানাঘোঁৰা নচুৱায়। অতীতত বহুল প্ৰচলিত এই কলা বৰ্তমান লুপ্তপ্ৰায় হ'বলৈ ধৰিছে। পাতিৰাভা সমাজৰ লোকে হানাঘোঁৰা ব'হাগ মাহত সাত বিহুলৈ গাঁৱত নচুৱাই লৈ ফুৰে। অতীতত গোটেই ব'হাগ মাহটোতে হানাঘোঁৰা নচুৱাই ফুৰা প্ৰথাৰ প্ৰচলন আছিল যদিও পৰৱৰ্তী কালত সাত দিনলৈ নচুৱাই ফুৰা প্ৰথাৰ প্ৰচলন হ'বলৈ ধৰে আৰু অসুবিধাবশতঃ কেৱল সাত বিহুৰ দিনাহে প্ৰদৰ্শনীমূলকভাৱে হানাঘোঁৰা নচুৱায়। আমাৰ এই গৱেষণা পত্ৰখনত পাতিৰাভা সমাজত ধৰ্মীয় বিশ্বাস আৰু লোকবিশ্বাসৰ আধাৰত গঢ় লৈ উঠা হানাঘোঁৰা কৃষ্টিৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।



**অধ্যয়নৰ ক্ষেত্ৰ আৰু পৰিসৰ ঃ** আমাৰ এই অধ্যয়নত দক্ষিণ কামৰূপৰ পাতিৰাভা সমাজত প্ৰচলিত সম্পূৰ্ণ ধৰ্মীয় বিশ্বাসৰ আধাৰত গঢ় লৈ উঠা হানাঘোঁৰা কৃষ্টিৰ বিষয়ে সম্যক ধাৰণা দিবৰ প্ৰয়াস কৰা হৈছে। আমাৰ অধ্যয়নৰ ক্ষেত্ৰ দক্ষিণ কামৰূপ আৰু অধ্যয়নৰ পৰিসৰ দক্ষিণ কামৰূপতে সীমাবদ্ধ ৰখা হৈছে।

**অধ্যয়নৰ উদ্দেশ্য ঃ** পাতিৰাভা সমাজত লোকবিশ্বাসৰ আধাৰত পৰম্পৰাগতভাৱে প্ৰচলন হৈ অহা হানাঘোঁৰা কৃষ্টি সম্পৰ্কে বৰ্তমানলৈ গৱেষণা তথা প্ৰণালীবদ্ধ অধ্যয়ন দৃষ্টিগোচৰ হোৱা নাই। সেয়েহে অৱহেলিত আৰু অসংৰক্ষিত অৱস্থাত থকা কৃষ্টিটোৰ বিষয়ে সমল সংগ্ৰহ কৰি অধ্যয়নৰ জৰিয়তে প্ৰণালীবদ্ধকৰণ কৰি অধিক গতিশীল আৰু বিদ্বান সমাজক অৱগত কৰোঁৱাই এই অধ্যয়নৰ মূল উদ্দেশ্য। আশা কৰা হৈছে আমাৰ এই অধ্যয়নে ভৱিষ্যতে গৱেষকসকলকো গৱেষণাৰ পাতনি মেলিবলৈ উৎসাহ যোগাব।

**অধ্যয়নৰ পদ্ধতিঃ** প্ৰস্তাৱিত আলোচনা পত্ৰখন প্ৰস্তুত কৰোঁতে প্ৰধানকৈ মুখ্য আৰু গৌণ উৎসৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে। মুখ্য উৎসৰ ভিতৰত ক্ষেত্ৰ অধ্যয়নৰ সময়ত হানাঘোঁৰা কৃষ্টিৰ কলা-কুশলীসকলৰ সাক্ষাৎ গ্ৰহণ কৰি সমল সংগ্ৰহ কৰা হৈছে আৰু গৌণ উৎসৰ ভিতৰত বিষয়ৰ সৈতে জড়িত বিভিন্ন গ্ৰন্থ, প্ৰবন্ধ আৰু আলোচনীৰ পৰা সমল সংগ্ৰহ কৰি বৰ্ণনাত্মক পদ্ধতিৰে আলোচনা পত্ৰখন প্ৰস্তুত কৰা হৈছে।

**বিষয়বস্তুৰ আলোচনা ঃ** ৰাভাসকলৰ অন্যান্য ফৈদৰ দৰে পাতিৰাভাসকলো জড়োপাসক। তেওঁলোক পৰম শিৱভক্ত। তেওঁলোকে শিৱক লাঙা বা ৰিষি দেৱতা বুলি কয়। লাঙা দেৱতাৰ বাহন হৈছে ঘোঁৰা। তেওঁলোকে অতি শ্ৰদ্ধা আৰু ভক্তিসহকাৰে শিৱ বা লাঙাক পূজা কৰে। তেওঁলোকৰ লোকবিশ্বাসত লাঙাক পূজা কৰিলে অপায় অমংগল মাৰিমৰক বিনাশ হয়। পাতিৰাভা সমাজৰ লোকে এই জনবিশ্বাসকে সাৰোগত কৰি লাঙাক পূজা কৰি সমাজৰ পৰা অকল্যাণকাৰী অমংগল শক্তি বিনাশ কৰি সুমংগল সাধন কৰাৰ বাসনাৰে ব'হাগ বিহুৰ সময়ত হানাঘোঁৰা গাঁৱে গাঁৱে গৃহস্থৰ চোতালে চোতালে নচুৱাই ঘূৰি ফুৰে আৰু গৃহস্থক আশীৰ্বাদ দিয়ে। মূলতঃ হানাঘোঁৰা

পাতিৰাভাসকলৰ পৰম আৰোধ্য দেৱতা শিৱৰ উপাসনা আৰু এক অন্যতম ধৰ্মীয় কৃষ্টি। নৃত্য-গীতেৰে শিৱ বা ৰিষি দেৱতাক ৰাইজৰ মংগলৰ বাবে উপাসনা কৰা হয়।

**হানা ঘোঁৰাৰ আকৃতি ঃ** হানাঘোঁৰা হ'ল ঘোঁৰাৰ আকৃতিৰ এটি সঁজা বা ঘোঁৰাৰ প্ৰতিকৃতি। হানাঘোঁৰাৰ প্ৰতিকৃতিটো বাঁহেৰে তৈয়াৰ কৰা হয়। হানাঘোঁৰাৰ প্ৰতিকৃতিটো প্ৰস্তুত কৰিবলৈ অতি ভক্তিসহকাৰে বাঁহ কাটি অনা হয়। গোটেই সঁজাটো কাপোৰেৰে ঢাক খুৱাই লয়। ঘোঁৰাৰ মূৰত এযোৰ দেও ছাগলীৰ শিং, ডিঙিত এটি ঘণ্টি, এডাল মৰাপাটৰ নেজ, কপালত সেন্দূৰৰ ফোঁট থাকে। মূলতঃ সঁজাটো ঘোঁৰা আকৃতিত সজা হয়। এনেকৈ সজা সঁজাটোৱেই হৈছে হানাঘোঁৰা, যিজনা তেওঁলোকৰ পৰম আৰাধ্য দেৱতা, অশান্তি বিনাশ কৰি পৃথিৱীত শান্তি স্থাপন কৰোঁতা ৰিষি দেৱতা। এই ঘোঁৰাটো সজা সন্দৰ্ভত লোকসংস্কৃতিবিদ ভুবিন ৰাভাই কৰা মন্তব্য প্ৰণিধানযোগ্য — ঘোঁৰাৰ আকৃতিৰ এটি সজা বাঁহ, বেত আৰু মৰাপাটৰ ৰছীৰে সাজে। গোটেই সজাটো কাপোৰেৰে (সচৰাচৰ বগা কাপোৰ ব্যৱহাৰ কৰে) ঢাক খুৱাই লয়। ঘোঁৰাৰ মূৰত দেও ছাগলীৰ শিং এযোৰ লগাই দিয়ে আৰু ডিঙিত আঁৰি দিয়ে এটি ঘণ্টা। হানাঘোঁৰাত ঘোঁৰাৰ দৰে নেজ লগাই দিয়ে, এই নেজ মৰাপাটৰ ৰং দি তৈয়াৰ কৰে। নেজৰ অংশত ওপৰমুৱাকৈ আঢ়ৈ বা তিনি ফুট দীঘল ক্ৰমে ওপৰ অংশ জোঙা আকৃতিৰ এডাল ৰঙীন কাঠ লগাই দিয়ে (সাধাৰণতে চতিয়না গছৰ কাঠ ব্যৱহাৰ কৰে। এয়াই হৈছে নাচ নচা হানাঘোঁৰা।

এনেদৰে বাঁহেৰে নিৰ্মাণ কৰা হানাঘোঁৰাত অলৌকিক মাহাত্ম্য প্ৰকাশ পায় কিম্বা দেও লম্ভে বুলি পাতিৰাভা সমাজে বিশ্বাস কৰে। সেয়ে হানাঘোঁৰাক পূজা-পাতল কৰা সামগ্ৰী পাতিৰাভা সমাজৰ মানুহে অতি ভক্তিসহকাৰে সংগ্ৰহ কৰে। হানাঘোঁৰা পূজা পৰম্পৰাগত ৰীতি-নীতিৰে ৰাইজৰ দ্বাৰা ৰাইজৰ মাজৰ পৰা মনোনীত মেধি বা দেউৰীয়ে সমাপন কৰে। এই পূজাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ হৈছে— (ক) এসপ্তাহমান বয়সৰ কুকুৰা পোৱালি এটা বা এযোৰ, (খ) কুকুৰাৰ কণী এযোৰ (গ) কেঁচা মদৰ জোঙা এখন, (ঘ) পকা মদৰ জোঙা এখন, (ঙ) গাহৰি এটা, (চ) সিন্দল (শুকান মাছৰ গুড়ি), (ছ) সেন্দূৰ, (জ) তুলসীৰ পাত, চাউলৰ গুড়ি, (ঝ) মৰাপাটৰ শুকান পাত, (ঞ) ধূপ-ধুনা, কলপাত আদি। এই সামগ্ৰীসমূহৰ এবিধৰো কম যাতে নহয় তাৰ প্ৰতি সততে নজৰ ৰখা হয়।

**হানাঘোঁৰাৰ ঐতিহ্য/উৎপত্তি/কিম্বদন্তী ঃ** হানাঘোঁৰা উৎপত্তি সন্দৰ্ভত কোনো ঐতিহাসিক তথ্য পোৱা নাযায়। পাতিৰাভা বসতিপ্ৰধান কিছুমান অঞ্চলত বিশেষকৈ লোহাৰঘাট অঞ্চলত এই হানাঘোঁৰাটো মহাকাব্য 'ৰামায়ণ'ৰ প্ৰধান চৰিত্ৰ শ্ৰীৰামচন্দ্ৰৰ



অশ্বমেধ যজ্ঞৰ ঘোঁৰা বুলি ভাবে, যিটো ঘোঁৰা যজ্ঞৰ পিচত হেৰাইছিল। সেয়েহে সেইবোৰ অঞ্চলত হানাঘোঁৰা পূজাৰ অন্তত ঘোঁৰাৰ বাপেকী (গাঁৱৰ বয়সিয়াল ব্যক্তি, যিজনে কাহিনীটো জানে)জনে ৰামায়ণৰ ঘোঁৰাৰ লগত জড়িত কাহিনীটো আবৃত্তি কৰি শুনায়।[৩]

গাৰোসকলৰ মাজত প্ৰচলিত আন এটা জনশ্ৰুতিত পোৱা যায় যে গাৰোসকলৰ 'ৰামৰায়' নামৰ এজন ৰজা আছিল। ৰামৰায়ৰ এজন ভায়েক আছিল যাৰ নাম আছিল 'ছানাৰাম'। ৰামৰায়ৰ লগত মনোমালিন্য হৈ তেওঁ গাৰো ৰাজ্য ত্যাগ কৰি ভৈয়ামৰ ঔফুলাত ৰাজ্য স্থাপন কৰে। এই ছানাৰামেই হেনো লগত এটা ঘোঁৰাও লৈ আহে আৰু ঘোঁৰাটো তেওঁ পূজা-পাতল দি সেৱা কৰিছিল। প্ৰবাদ মতে এই পূজাৰ বাবে মানুহো বলি দিছিল। এই পূজাৰ লগতে তেৰোঁ হানাঘোঁৰা নচুওৱা উৎসৱ পালন কৰিছিল।[৪]

আন এটা লোক বিশ্বাস মতেও হানাঘোঁৰা প্ৰকৃততে গাৰোসকলৰ পৰাহে ৰাভাসকলৰ হাতলৈ আহিছিল। দুগৰাকী ৰাভা সম্প্ৰদায়ৰ মহিলাই (ৰাম্চা মাহাৰী আৰু ৰং ৰং মাহাৰী) এটা ঘোঁৰা মাছ মাৰিবলৈ গৈ দেখা পাই চুৰি কৰি লৈ আহে আৰু ঘোঁৰাটোৰ লগত আনন্দতে নাচি-বাগি আহে। এনেকৈয়ে ৰাভাসকলৰ মাজত হানাঘোঁৰা নৃত্য-গীতৰ সৃষ্টি হ'ল।[৫]

আন এক কিংবদন্তি মতে দক্ষ যজ্ঞত সতীয়ে দেহ ত্যাগ কৰাত ভাৰাক্ৰান্ত দগ্ধ হৃদয়ৰে সদাশিৱে সতীৰ দেহ কান্ধত লৈ দেশ দেশান্তৰ ভ্ৰমি ফুৰিছিল। নাৰায়ণে চক্ৰেৰে সতীৰ দেহ খণ্ড খণ্ডকৈ কাটি দিছিল। য'তেই সতীৰ দেহৰ অংগ পৰিছিল কালক্ৰমত তাতেই একোখন তীৰ্থস্থান গঢ়ি উঠিছিল। সতীৰ দেহ নাইকিয়া হোৱাৰ পিছত শ্ৰান্ত ক্লান্ত ভোলানাথ গৈ গৈ এখন জনজাতীয় গাঁৱত ওলালগৈ। তাতেই লগেভাগে লাওপানী খাই ৰং-ৰহইচ কলি নাচিবলৈ ধৰিলে। এনেতে কালী গোসাঁনীয়ে ক'লা ঘোঁৰাত উঠি আহি তাতেই শিৱক লগ পায়। কালী গোসাঁনীও ঘোঁৰা সহিতে নৃত্য কৰিবলৈ ধৰিলে। এই ঘোঁৰা নাচৰ পৰাই হানাঘোঁৰা নাচৰ উৎপত্তি হ'ল।[৬]

আন এক কাহিনী মতে ঘোঁৰা পাতালপুৰীত আছিল। কাকৰে মানে কেঁকোৰাই পিঠিত তুলি পৃথিৱীলৈ আনি বাৰগণ দেৱতাৰ হাতত সমৰ্পণ কৰিছিল। দেৱগণে ঘোঁৰাটো পাই আনন্দ পাইছিল। কিন্তু নচুৱাৰ নাজানিছিল। সিহঁতে ঘোঁৰা নচুৱাই নচুৱাই অৱশ হৈ পৰিছিল, দুখ-ভাগৰৰ সীমা নোহোৱা হৈছিল। শেষত উপায়ান্তৰ হৈ ঘোঁৰাক নৰমনিচৰ হাতত তুলি দিছিল। এই কাহিনীটো এটা গীতৰ মাধ্যমেৰে শুনা যায়। কিন্তু এতিয়ালৈকে ইয়াক কিয় হানাঘোঁৰা বোলা হয় সেই বিষয়ত সঠিককৈ একো জনা নাযায়। ৰাভাৰ এটা থালক হানা বুলি কয়। কোনো কোনো ক'ব খোজে হানা ৰাভাসকলে পোনপ্ৰথমে নচুওৱা এই ঘোঁৰা নাচকে হানাঘোঁৰা নৃত্য বোলে।[৭]

হানাঘোঁৰা প্ৰকৃততে কোন সম্প্ৰদায়ৰ মাজত প্ৰচলিত তাকো সঠিকভাৱে জনাৰ তথ্য নাই। আনকি ৰাভাসকলেও বিশ্বাস কৰে যে হানা ঘোঁৰা তেওঁলোকৰ নিজৰ নহয়, বাহিৰৰ সম্প্ৰদায়ৰ পৰাহে আহিছে। সেয়েহে পূজাত অংশগ্ৰহণ কৰা লোকে হানাঘোঁৰা নৃত্য-গীত আৰু পূজা কৰি বিসৰ্জন দিয়াৰ পিচত নিজৰ দেউৰীৰ দ্বাৰা প্ৰায়শ্চিত্ত হৈ গা-পা ধুইহে ঘৰত প্ৰৱেশ কৰে।

**হানাঘোঁৰা পূজা আৰু হানাঘোঁৰা নাচ পৰিৱেশন ঃ** ৰাভাসকলে হানাঘোঁৰাক ব'হাগ বিহুত পূজা কৰি নচুৱায়। তেওঁলোকে বছৰৰ আৰম্ভণিতে গাঁৱৰ পৰা বিপদ-বিঘিনি দূৰ কৰি সুমংগল সাধনৰ মানসেৰে হানাঘোঁৰা পূজা কৰে। তেওঁলোকৰ বিশ্বাসত হানাঘোঁৰাৰ বিপদ-বিঘিনি নাশ কৰিব পৰা অদ্ভুত শক্তি আছে। তেওঁলোকে হানাঘোঁৰা তুলিবৰ কাৰণে প্ৰথমে কোনো ৰাজহুৱা স্থানত বা দেউৰীৰ ঘৰত পূজা কৰে। পৰম্পৰাগতভাৱে পূজা কৰাৰ শেষত দুটা কণী ঘোঁৰাটোৰ মূৰত ৰখা দেও ছাগলীৰ শিং দুটাত গুঁজি দিয়ে। চাউলৰ পিঠাগুড়ি আৰু মদ ঘোঁৰাৰ গাত ছটিয়াই দিয়ে। সেন্দুৰেৰে ঘোঁৰাৰ কপালত এটা ফোঁট দিয়ে। ইয়াৰ পাছত হানাঘোঁৰাৰ জন্ম বৃত্তান্ত মুখিয়াল এজনে ব্যাখ্যা কৰে। এই মুখিয়ালজনেই ঘোঁৰাৰ বাপেক বা অভিভাৱক। তেওঁক ৰাইজে মনোনীত কৰে। পূজাৰ সময়ত বাপেকজন আৰু তেওঁক সমৰ্থন জনাবলৈ আন এজন ব্যক্তি ঘোঁৰাটোৰ মুখামুখিকৈ বহে। তেওঁলোকৰ পিছতহে পূজাত উপস্থিত থকা মানুহবোৰ থাকে। পূজাৰ আৰম্ভণিতে হানাঘোঁৰাৰ বাপেক তথা মুখিয়ালজনে 'ঘোঁৰাৰ জন্ম বৃত্তান্ত তথা শ্ৰীৰামৰ যজ্ঞৰ ঘোঁৰাৰ কথা বিৱৰি কৈ গৈ থাকে আৰু ৰাইজে শ্ৰদ্ধা-ভক্তিৰে শুনি যায়। পূজাৰ অন্তত হানাঘোঁৰাৰ জঁকাটো ঘোঁৰাৰ বাপেকে পিন্ধি লৈ নৃত্য-গীত কৰিবলৈ ধৰে আৰু বাকীবোৰে ঘোঁৰাৰ চাৰিওফালে ঘূৰি ঘূৰি হাত চাপৰি বজাই নাচি নাচি সকলোৱে আত্মহাৰা হৈ পৰে। নৃত্য-গীতৰ লগত সংগত কৰা বাদ্যযন্ত্ৰবোৰ হৈছে গাৰো ঢোল, ঘুমাং মাদল, বাঁহী, ম'হৰ শিঙা, বাঁহৰ টকা, কোৰ ইত্যাদি। দুজন লোকে হাতত ঢাল আৰু তৰোৱাল লৈ হানাঘোঁৰাৰ কাষে কাষে নাচিবলৈ ধৰে। এইদৰে ঘোঁৰা তোলাৰ প্ৰথম দিনাখন আনন্দৰ মাজেৰে নিজৰ গাঁৱত নৃত্য প্ৰদৰ্শন কৰে। তেওঁলোকে আনন্দত আত্মহাৰা হৈ নাচি নাচি নিষ্প্ৰাণ ঘোঁৰাৰ মাজতো যেন প্ৰাণৰ সঞ্চাৰ কৰে। ইয়াৰ পিছত ৰাইজে সাত বিহুলৈকে গাঁৱে গাঁৱে হানাঘোঁৰাটো নচুৱাই লৈ ফুৰে আৰু চাউল, কণী বা টকা-পইচা সংগ্ৰহ কৰে। হানাঘোঁৰা কোনো মানুহৰ ঘৰত আমন্ত্ৰণ ৰক্ষা কৰিবলৈ উপস্থিত হয় তেতিয়া গৃহস্থই ইতিপূৰ্বে মচি-কাছি শুদ্ধ কৰি পৰিষ্কাৰ কৰা চোতালখনৰ চাৰিওফালে শিল্পীসকলে ঘূৰণীয়াকৈ অৱস্থান কৰে আৰু ঘোঁৰাটো তেওঁলোকৰ মাজত ৰাখে। মূল গায়কজনে গীত লগাই দিয়ে



আৰু বাকীবোৰ সহায়কাৰী শিল্পীয়ে গীতবোৰ আওৰাই যায়। বাকী কিছু মানুহে হাত চাপৰি বজাই থাকে। হানাঘোঁৰা লোৱা মানুহজনে নৃত্যৰ তালে তালে হোঁহকা পিছুৱাকৈ পদচালন কৰি কৰি (Suffling step) নাচিবলৈ আৰম্ভ কৰে। দুজন ঢাল-তৰোৱাল লোৱা শিল্পীয়ে ঘোঁৰাৰ দুয়ো কাষে (সোঁফাল আৰু বাঁওফাল) অংগি-ভংগি তথা ঢাল-তৰোৱাল নচুৱাই নচুৱাই নাচি ফুৰে। ঢোল, শিঙা, কালি, বাঁহীৰ লগতে বেসুৰাকৈ ভগা কোৰ বজাই, আঁঠুমূৰীয়া গামোচা পিন্ধি গাঁৱৰ ডেকা ল'ৰা নাইবা মুৰব্বীসকলে গীতৰ তালে তালে, হাত চাপৰি বজাই বজাই ঘোঁৰাৰ চাৰিওফালে ঘূৰি ঘূৰি নাচে। নিষ্প্ৰাণ ঘোঁৰাটো যেন জীৱন্ত হৈ উঠে। ব'হাগ বিহুৰ সাত দিনলৈকে গাঁৱৰ মানুহৰ ঘৰে ঘৰে হানাঘোঁৰা নচুৱাই লৈ ফুৰে আৰু সাত বিহুৰ 'সুৱৰি'ৰ দিনা ৰাজহুৱা স্থানত প্ৰদৰ্শনীমূলক নৃত্য-গীতত অংশগ্ৰহণ কৰে। ইয়াৰ পিছত পুনৰ ঘোঁৰাটো দেউৰীৰ ঘৰলৈ লৈ অহা হয়। দেউৰীৰ ঘৰত পুনৰ ধৰ্মীয় পৰম্পৰাৰে পূজা কৰা হয়। এনেদৰে বলি দিয়া গাহৰিৰ মূৰটো ওলোটাকৈ ছাল কাঢ়ি গাহৰিৰ মূৰটো ঘোঁৰাৰ মূৰত লগাই দিয়া হয় আৰু গাঁৱৰ প্ৰতিটো পৰিয়ালৰ মঙ্গলাৰ্থে প্ৰতিটো পৰিয়ালৰ ঘৰলৈ লৈ যোৱা হয়। ইয়াৰ পিচত পুনৰ ঘোঁৰাটো দেউৰীৰ ঘৰলৈ লৈ অহা হয়। এইবাৰ ঘোঁৰাটোৰ পৰা কাপোৰ-কানিবোৰ সোলোকাই থৈ বাঁহৰ জুমুঠিটো 'ঘোঁৰাপুতা' উৎসৱৰ বাবে সাজু কৰোৱা হয়। সাধাৰণতে সাত বিহুতেই ঘোঁৰাপুতা উৎসৱ পাতে। এই সামৰণি উৎসৱতো সমূহ ৰাইজ সমৱেত হৈ পূজা পাতে। পূজা শেষ হোৱাৰ পিছত ঘোঁৰা লওঁতাজনে ঘোঁৰাটো মুচৰি মাৰে আৰু ৰাইজ সমন্বিতে গৈ মৃত ঘোঁৰাটো হাবিত বিসৰ্জন দিয়ে। এনেকৈ বিসৰ্জন দিয়াৰ সময়তো গীত-নৃত্য কৰে। ইয়াৰ পিছত ঘোঁৰা নচুওৱা কাৰ্যত জড়িত আৰু পূজাত থকা সকলো লোকে পূজাস্থলীতে প্ৰায়শ্চিত্ত হয়। পিছত ৰাইজে মিলি ভোজভাত খায়। এইদৰেই হানাঘোঁৰা নচুওৱা পৰ্বৰ সামৰণি পৰে।

ধৰ্মবিশ্বাসী ধৰ্মপৰায়ণ সাধাৰণ ৰাইজৰ হানাঘোঁৰাৰ প্ৰতি অন্তৰত অগাধ বিশ্বাস আৰু ভক্তি আছে। তেওঁলোকে জনজাতীয় বা অজনজাতীয় সকলো মানুহৰ ঘৰে ঘৰে গৈ নৃত্য কৰি আশীৰ্বাদ দিয়ে। মুঠতে জাতি বৰ্ণ নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰ মানুহৰ ঘৰলৈ নাচ দেখুৱাবলৈ যায় আৰু আশীৰ্বাদ দিয়ে। বৰ্তমান ইয়াৰ প্ৰচলন কমি আহিছে।

দলীয় সংগঠন ঃ হানাঘোঁৰা নচুৱাবলৈ এটা দল থাকে। দলটোৰ সকলো সদস্যই পুৰুষ সদস্য। আচলতে ই যিহেতু লোকনৃত্য সেয়ে ইয়াত দলীয় সদস্য সুনিৰ্দিষ্ট কোনো সংখ্যা নাথাকে। হানাঘোঁৰা যাত্ৰাত ঘোঁৰা লোৱা মানুহ এজন। কিন্তু এজন

মানুহে গোটেই দিনটো ঘোঁৰাটো লৈ ফুৰোৱা সহজ নহয়। সেয়ে সুবিধাৰ বাবে সালসলনিকৈ লৈ থাকে। দুজন ঢাল-তৰোৱাল লোৱা মানুহ, মাদল আৰু দুগুৱী বজোৱা দুজনকৈ মুঠ চাৰিজন, বাঁহী বজোৱা দুজন, শিঙা বজোৱা দুজন, কোদাল বজোৱা এজন, বিশেষ ঘণ্টি (যাঠী চালনা) বজোৱা এজন আৰু বাঁহৰ টকা (থৰকা) বজোৱা দুজন প্ৰভৃতি মুঠ চৈধ্যজন লোক থাকে। তাৰ উপৰি গান দিয়া আৰু গানধৰা পাঁচজন বা সাতজন থাকে। এই দলীয় সদস্যসকলে তেওঁলোকে কৰা কাৰ্যবোৰ সাংস্কৃতিকভাৱে নলৈ ধৰ্মীয়ভাৱে পালন কৰে।

হানাঘোঁৰা নৃত্য হৈছে পুৰুষকেন্দ্ৰিক নৃত্য। ইয়াত নাৰীৰ স্থান নহয়। এই নৃত্যত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰবোৰো তেওঁলোকে বৰ ভক্তিভাৱে সেৱা সৎকাৰ কৰিহে ব্যৱহাৰ কৰে আৰু নৃত্য-গীতৰ সামৰণি পৰাৰ লগে লগে আকৌ সেৱা-সৎকাৰ কৰি আচুতীয়াকৈ ৰাখি থৈ দিয়ে।

সাজ-সজ্জা ঃ 'হানাঘোঁৰা' যিহেতু লোক নৃত্য সেয়ে সাজ-সজ্জাৰ ক্ষেত্ৰত তেনে কোনো ধৰা-বন্ধা নীতি নাই। বৰ্তমান জাতীয় জাগৰণৰ ফলত এই নৃত্য প্ৰদৰ্শনীমূলকভাৱে মঞ্চ উপযোগী কৰি নাচিবলৈ লোৱা বাবে সাজসজ্জাৰ ক্ষেত্ৰতো যথেষ্ট পৰিৱৰ্তন আহিছে।

হানাঘোঁৰা নৃত্যৰ গীত ঃ হানাঘোঁৰা তুলিবৰ কাৰণে কৰা পূজাৰ অন্তত ঘোঁৰাটোৰ চাৰিওফালে পূজা কৰা মানুহবোৰ আৰু ঘোঁৰা নচুৱাবলৈ সাজু হোৱা শিল্পীসকলে ঘোঁৰাৰ চাৰিওফালে ঘূৰি ঘূৰি হাত চাপৰি বজাই বজাই ভিন্নৰঙী গীত গায়। তেনে গীত দুটামান তলত উল্লেখ কৰা হ'ল—

(ক)
আদা ৰুঙতে
হায় হায় কচু ৰুঙতে
পকা ধান বান্দৰে খালে।
তিল্ তিল্ মাৰঙতে
মহ মাৰঙতে
দাহ মাৰঙতে
খুক্‌লি বিহ উঠিল। *(শ্ৰীভুবিন ৰাভা, লোহাৰঘাট)*

(খ)
লাঙা মাৰাৰ আগতে
লাঙা মাৰাৰ আগতে



মাহী ঐ ফাটায় খালুং বেল
হুই হুই হুই এ *(সংগ্ৰহ ঃ শ্ৰীগহীন ৰাভা, বকো, খাটলপাৰা)*

(গ)
হায়ৰো হায়ৰো হায়ৰো
অ দায়া হে হে হে
হায় হায় কিহৰ বুলিল কায়
হায় হায় কিহৰ বুলিল কায়
আমাৰ ঘোঁৰা নাচিছে
তেল খুজিছে
হায় হায় তেল খুজিছে।
হানাঘোঁৰা নাচিছে
মাহী ঐ ডিমা খুজিছে
হায় হায় ডিমা খুজিছে। *(সংগ্ৰহ ঃ শ্ৰীফণী ৰাভা, আলিহা)*

(ঘ)
ছো মাহী ঘৰত যাওঁ
ছো মাহী ঘৰত যাওঁ
মাহী ঐ বেলা বহিল চাকত
হুই হুই হুই এ। *(সংগ্ৰহ ঃ শ্ৰীনিৰঞ্জন ৰাভা, খাটলপাৰা, বকো)*

(ঙ)
আজিৰ পৰা বতৰ যায়
আজিৰ পৰা বতৰ যায়
মাহী ঐ নাচোং ঘূৰি ঘূৰি
মাহী ঐ বেলা বহিল চাকত।। *(সংগ্ৰহ ঃ শ্ৰীদিলীপ ৰাভা, বকো, খাটলপাৰা)*

(চ)
থাক্ ইটা কুৰ্মাহে
ভাতৰ লুৰ্মাহে।
মাহী ঐ ডিমা খুজিছে
হায় হায় ডিমা খুজিছে। *(সংগ্ৰহ ঃ শ্ৰীফনী ৰাভা, আলিহা)* ইত্যাদি

উপসংহাৰঃ

প্ৰাচীন কালৰ পৰা প্ৰচলিত হৈ অহা পাতিৰাভাসকলৰ আপুৰুগীয়া সম্পদ ধৰ্মীয় কৃষ্টি হানাঘোঁৰাই বিভিন্ন বাধা অতিক্ৰম কৰি ৰাভা ধৰ্মপ্ৰাণ ৰাইজৰ আপ্ৰাণ চেষ্টাত কোনো মতে পৰম্পৰা ৰক্ষা কৰি বৰ্তি আছে। হানাঘোঁৰাৰ দৰে লোকবিশ্বাসৰ আধাৰত প্ৰচলিত কৃষ্টি বৰ্তমান প্ৰায় অৱলুপ্তিৰ পথত। সময় থাকোঁতে ইয়াৰ সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ব্যৱস্থা নকৰিলে এই কৃষ্টি হয়তো আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে নোহোৱা হৈ যাব। সেয়ে ইয়াক পুনৰ উজ্জীৱিত কৰি অসমৰ লোকসংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰাৰ দায়িত্ব আমাৰ সকলোৰে কাম্য।

অন্ত্যটীকা ঃ

E.T. Delton : Descriptive Ethonology of Bengal , 1872, p. 87

ৰাভা, ৰাজেন ঃ ৰাভা জনজাতি, ২০০৮, পৃ. ১১

ৰাভা,দাস, ভুৱন মোহন ঃ ৰাভা (প্ৰৱন্ধ), প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য (সম্পা.), ২০০৮, পৃ. ১৩১

সংবাদ দাতা ঃ শ্ৰীগহীন ৰাভা,বকো, খাটলপাৰা ,দক্ষিণ কামৰূপ

সংবাদ দাতা ঃ শ্ৰীভুবিন ৰাভা, লোহাৰঘাট, দক্ষিণ কামৰূপ

সংবাদ দাতাঃ শ্ৰীগহীন ৰাভা, বকো, খাটলপাৰা, দক্ষিণ কামৰূপ

গ্ৰন্থপঞ্জী ঃ

প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য (সম্পা) ঃ অসমৰ জনজাতি, ২০০৮

ৰাভা, ৰাজেন ঃ ৰাভা জনজাতি, ২০০৮

ৰাভা, হাকাচাম উপেন ঃ ৰাভা সমাজ আৰু সংস্কৃতি, ২০১০

ৰাজবংশী, পৰমানন্দ(সম্পা) ঃ অসমৰ জনজাতি আৰু সংস্কৃতি, অসম সাহিত্য সভা, ২০১১

লেখাৰু, জিতুকুমাৰ ঃ অসমৰ লোক উৎসৱ আৰু লোকসংস্কৃতি, প্ৰথম প্ৰকাশ, ২০০৮

শৰ্মা, নবীন চন্দ্ৰ ঃ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ লোকসংস্কৃতি, দ্বিতীয় প্ৰকাশ, ২০০৩

শৰ্মা, নবীন চন্দ্ৰ ঃ বসন্ত উৎসৱ আৰু অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকনৃত্য, প্ৰথম প্ৰকাশ, ১৯৯৩

শৰ্মা, জয়কান্ত ঃ অসমীয়া জনজাতিসকলৰ ধৰ্মীয় আচাৰ সংস্কৃতি, প্ৰথম প্ৰকাশ, ২০১১

E.T. Delton ঃ Descriptive Ethonology of Bengal , 1872

■■■